# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 30-03-2026
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

## HEADLINES

::::::::::::::::::

১। **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে গোলকীয় অনিশ্চয়তা সত্বেও দেশৰ স্থূল অৰ্থনৈতিক বুনিয়াদ সুদৃঢ় হৈ আছে বুলি মন্তব্য কৰিছে।

৩। বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ সভাপতি নীতিশ কুমাৰে ৰাজ্যিক বিধান পৰিষদৰ সদস্যপদ ত্যাগ কৰিছে।

৪। ভাৰতৰ শীতল দেৱীক বিশ্ব আৰ্চাৰী সংস্থাই ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ পেৰা আৰ্চাৰ হিচাপে ঘোষণা কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

**মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। সামাজিক মাধ্যম যোগে প্ৰধানমন্ত্ৰীয়ে কয়, যে বিগত দশকত অসমৰ প্ৰগতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে আৰু ৰাজ্যখন সকলো ক্ষেত্ৰৰ উন্নয়নমুখী যাত্ৰাৰ বাবে জনাজাত হৈ পৰিছে। এনে উন্নয়নমূলক কাম-কাজৰ বাবেই ৰাজ্যখনৰ জনসাধাৰণে দ্বৈত ইঞ্জিনৰ এন ডি এ-ক পৰৱৰ্তী ৫ বছৰৰ বাবে পুনৰ ক্ষমতালৈ অনাৰ সিদ্ধান্ত লৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

ooooo

সংসদত আজি ভাৰতীয় অৰ্থব্যৱস্থাৰ শক্তিশালী স্থিতিৰ বিষয়ে উল্লেখ কৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে টকাৰ মূল্য বজাৰৰ উত্থান-পতনৰ সৈতে জড়িত আৰু গোলকীয় অনিশ্চয়তা সত্বেও দেশৰ স্থূল অৰ্থনৈতিক বুনিয়াদ সুদৃঢ় হৈ আছে। লোকসভাত প্ৰশ্নকালত ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্যৰ অৱনমন সন্দৰ্ভত শ্ৰীমতী সীতাৰমনে কয় যে ভাৰতীয় অৰ্থব্যৱস্থাৰ বুনিয়াদ শক্তিশালী হৈ আছে আৰু গোলকীয় অনিশ্চয়তাৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ মুদ্ৰাৰ উত্থান-পতন দেখা গৈছে। বিত্ত মন্ত্ৰীগৰাকীয়ে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সূচাংকৰ বিষয়ে আলোকপাত কৰি কয় যে দেশত মুদ্ৰাস্ফীতি হ্ৰাস পাইছে, মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৭ শতাংশৰ ওপৰত আছে আৰু কাৰেণ্ট একাউণ্ট ডেফিচিট অৰ্থাৎ ৰপ্তানি আৰু আমদানিৰ ফলত হোৱা বিদেশী মুদ্ৰাৰ আয়-ব্যয়ৰ ব্যৱধান ১ শতাংশৰ তলত আছে। তেওঁ কয় যে গোলকীয় অনিশ্চয়তাৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ মুদ্ৰাৰ মূল্য প্ৰভাৱিত হৈছে আৰু বিনিময় হাৰৰ হেঁচাৰ সন্মুখীন হোৱা ভাৰতেই একমাত্ৰ দেশ নহয়। বিৰোধী পক্ষই দেশৰ অৰ্থনৈতিক প্ৰগতি দুৰ্বল কৰাৰ উদ্দেশ্যে একেটা বিষয় বাৰে বাৰে উত্থাপন কৰা বুলি অভিযোগ তুলি শ্ৰীমতী সীতাৰমনে কয় যে চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে স্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০

বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ সভাপতি নীতিশ কুমাৰে অলপতে ৰাজ্যসভালৈ নিৰ্বাচিত হোৱাৰ পৰিপ্ৰেক্ষিতত সংবিধানৰ নিয়ম অনুযায়ী ৰাজ্যিক বিধান পৰিষদৰ সদস্যপদ ত্যাগ কৰিছে। জে ডি ইউৰ বিধায়ক সঞ্জয় গান্ধীয়ে নীতিশ কুমাৰৰ পদত্যাগ পত্ৰ বিধান পৰিষদৰ অৱধেশ নাৰায়ণ সিঙৰ ওচৰত দাখিল কৰে। পাটনাত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ৰাজ্যখনৰ জ্যেষ্ঠ মন্ত্ৰী বিজয় কুমাৰ চৌধুৰীয়ে এই কথা সদৰি কৰে। তেওঁ কয় যে সাংবিধানিক প্ৰক্ৰিয়াৰ অংশ হিচাপে শ্ৰীকুমাৰে বিধান পৰিষদৰ সদস্যপদ ত্যাগ কৰিছে। মুখ্যমন্ত্ৰীৰ পদত্যাগ সন্দৰ্ভত শীঘ্ৰেই আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ সম্ভাৱনা আছে। জে ডি ইউৰ মুৰব্বীগৰাকী এই মাহৰ ১৬ তাৰিখে বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্য সভালৈ নিৰ্বাচিত হৈছে। ইপিনে, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা ৰাজ্যসভাৰ নৱনিৰ্বাচিত সাংসদ নীতিন নবীনে আজি বিহাৰ বিধানসভাৰ সদস্যপদ ত্যাগ কৰাৰ কথা ঘোষণা কৰে। সামাজিক মাধ্যমযোগে পদত্যাগৰ কথা সদৰি কৰি শ্ৰীনবীনে নিজ সমষ্টি বাংকিপুৰৰ জনসাধাৰণক কয় যে তেওঁ বিহাৰৰ প্ৰগতি আৰু সমষ্টিটোৰ উন্নয়নৰ বাবে অক্লান্তভাৱে কাম কৰি যাব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে দলৰ ৰাজ্যিক সভাপতি সঞ্জয় চাৰাঅ'গীৰ ওচৰত পদত্যাগপত্ৰ দাখিল কৰে আৰু সভাপতিগৰাকীয়ে এই পদত্যাগপত্ৰখন বিধানসভাৰ অধ্যক্ষ প্ৰেম কুমাৰলৈ প্ৰেৰণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দিনজোৰা ভ্ৰমণসূচীৰে গুজৰাটলৈ যাব। ভ্ৰমণ কালত শ্ৰীমোদীয়ে মহাবীৰ জয়ন্তীৰ লগত সংগতি ৰাখি গান্ধী নগৰত সম্ৰাট  সম্প্ৰতি সংগ্ৰহালয় মুকলি কৰিব। তেওঁ লগতে এটা সমাবেশতো ভাষণ দিব। মহাবীৰ জৈন আৰাধনা কেন্দ্ৰৰ চৌহদত অৱস্থিত এই সংগ্ৰহালয়টোত সাতটা সুকীয়া শাখা আছে আৰু  প্ৰত্যেকটো শাখা দেশৰ সভ্যতাজনিত পৰম্পৰাৰ অনন্য দিশসমূহৰ নামত উচৰ্গিত। সংগ্ৰহালয়টোত প্ৰাচীন দুৰ্লভ অৱশেষ, জৈন কলাকৃতি আৰু পৰম্পৰাগত ঐতিহাসিক সংগ্ৰহৰ সংৰক্ষণ আৰু প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। সংগ্ৰহালয়টোৰ সাতখন বীথিকাত কঠোৰ পৰিশ্ৰমেৰে কলাকৃতিৰ ৰূপ দিয়া শিল আৰু ধাতুৰে নিৰ্মিত মূৰ্তি, বৃহৎ তীৰ্থপট্টা আৰু যন্ত্ৰপট্টা, লঘু চিত্ৰ, ৰূপেৰে নিৰ্মিত ৰথ, মুদ্ৰা আৰু প্ৰাচীন পাণ্ডুলিপি প্ৰদৰ্শন কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে লগতে আহমেদাবাদৰ সানন্দস্থিত কেয়নছ চেমিকণ্ডাক্টৰ প্ৰকল্প উদ্বোধন কৰিব। ইয়াৰ লগে লগে প্ৰকল্পটোত চেমিকণ্ডাক্টৰৰ উৎপাদন আৰম্ভ হ'ব আৰু দেশৰ চেমিকণ্ডাক্টৰ খণ্ডৰ যাত্ৰাত নতুন অধ্যায়ৰ সূচনা হ'ব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰ-থাৰডলৈ যাব। তাত তেওঁ ২০ কোটিৰো অধিক টকাৰে বিকশাই তোলা কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰে ভিতৰত বিদ্যুৎ, ৰে'ল, পথ পৰিবহন আৰু ঘাইপথ, স্বাস্থ্য নগৰ অঞ্চলৰ উন্নয়ন, জনজাতীয় উন্নয়ন আৰু গ্ৰামোন্নয়ন খণ্ডৰ প্ৰকল্প আছে।

ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীগৰাকীয়ে খাওৰা পুলিং ষ্টেচনৰ দ্বিতীয় পৰ্যায় আৰু ৪ দশমিক ৫ গিগাৱাট নবীকৰণযোগ্য শক্তি সৰবৰাহৰ বাবে সংশ্লিষ্ট সৰবৰাহ প্ৰণালীসহ কেইবাটাও গুৰুত্বপূৰ্ণ বিদ্যুৎ সৰবৰাহ প্ৰকল্পৰ উদ্বোধন কৰিব। তেওঁ লগতে ৰাজকোট-কনালছ দ্বৈতকৰণ প্ৰকল্পৰ অধীনৰ কনলছ-জামনগৰ খণ্ডৰ দ্বৈতকৰণ আৰু গান্ধীধাম -আদিপুৰ খণ্ডক চাৰি লেনযুক্ত পথলৈ সম্প্ৰসাৰিতকৰণ প্ৰকল্প ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এখন জনসভাতো ভাষণ দিব।

০০০০০০০

ভাৰতৰ শীতল দেৱীক বিশ্ব আৰ্চাৰী সংস্থাই ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ পেৰা আৰ্চাৰ হিচাপে ঘোষণা কৰিছে। জম্মু-কাশ্মীৰৰ ১৯ বছৰীয়া খেলুৱৈগৰাকী যোৱা বছৰ দক্ষিণ কোৰিয়াৰ গোৱাংজুত অনুষ্ঠিত বিশ্ব পেৰা আৰ্চাৰী প্ৰতিযোগিতাৰ মহিলাৰ কম্পাউণ্ড শাখাৰ ব্যক্তিগত শিতানত সোণৰ পদক হস্তগত কৰা হাত নথকা বিশ্বৰ প্ৰথম আৰু একমাত্ৰ মহিলা আৰ্চাৰ। শীতল দেৱীয়ে লগতে বিশ্ব চেম্পিয়নশ্বিপৰ মহিলাৰ দলীয়

শিতানত ৰূপৰ আৰু মিক্সড দলীয় শিতানত ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ইয়াৰ উপৰি খেলুৱৈগৰাকীয়ে পেৰিছ পেৰালিম্পিকছৰ মিক্সড দলীয় শিতানত ব্ৰঞ্জ, ২০২২ চনৰ এছিয়ান পেৰা গেমছৰ ব্যক্তিগত শিতানত ৰূপৰ আৰু ২০২৩ চনত বেংককত অনুষ্ঠিত এছিয়ান চেম্পিয়নশ্বিপত ৰূপৰ পদক লাভ কৰিছিল।

০০০০০

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো কেইটামান দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি জাগীৰোড আৰু বোকাখাতত প্ৰচাৰ চলাব। তেওঁ জাগীৰোডৰ দেওশালত বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী পীযুষ হাজৰিকাৰ হৈ আৰু বোকাখাতত  অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ হৈ প্ৰচাৰ সভাত অংশ ল’ব। শ্ৰীনবীনে কালি মাৰ্ঘেৰিটা, জোনাই আৰু গোগামুখত বিজয় সংকল্প সভাত অংশ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলীৰ গড়মূৰৰ মিনি ষ্টেডিয়ামত বিজয় সংকল্প সভাত অংশ লয় আৰু এন ডি এ সমৰ্থিত প্ৰাৰ্থী ভূবন গামৰ হৈ প্ৰচাৰ চলায়। তেওঁ বিয়লিৰ ভাগলৈ নাওবৈচা, চিচিবৰগাওঁ আৰু শদিয়াত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। সন্ধিয়ালৈ তেওঁ ডিব্ৰুগড়ত এটা ৰোড শ্ব’ত ভাগ ল’ব।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি ৫টা প্ৰতিশ্ৰুতিৰে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

ইপিনে, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সামাজিক মাধ্যম গোটৰ অধ্যক্ষা সুপ্ৰিয়া শ্ৰীনেটে অনাগত দিনত দলটোৱে তথ্য আৰু পৰিসংখ্যাৰ ভিত্তিত ৰাজ্য চৰকাৰখনৰ দুৰ্নীতি, ভ্ৰষ্টাচাৰ উদঙাই দিব বুলি প্ৰকাশ কৰে। গুৱাহাটীত আজি এখন সংবাদ মেলত শ্ৰীনেটে কয় যে দলটোৱে ভৱিষ্যতে সংবাদ মেলৰ শৃংখলাৰ জৰিয়তে প্ৰতিদিনে চৰকাৰৰ দুৰ্নীতি আৰু অনিয়মৰ কথা সদৰি কৰিব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

০০০০০

সমাপ্ত